# “নগাঁৱৰ আহ্বান
# নগঞা সমিধান!”

**প্ৰস্তাৱনা:** নগাঁৱত বাস কৰা সাধাৰণ নাগৰিকৰ জীৱন সততে চুই যোৱা এনে কিছুমান নিজাববীয়া বিশেষ সমস্যা আছে, যাৰ সমাধান ওপৰৰ পৰা কোনোবাই আহি কৰি দিব নোৱাৰে, কোনো চিৰাচৰিত চৰকাৰী আঁচনিৰ যোগেদিও এনে থলুৱা ভাবে গা কৰি অহা সমস্যাৰ সমিধান দিয়াটো সম্ভৱ নহয়। থলুৱা সমস্যাৰ সমিধান থলুৱালোকৰ সম্যক বোধ শক্তিৰেই বিচাৰি লোৱাটো বাঞ্চনীয় !

“নগাঁৱৰ আহ্বান - নগঞা সমিধান!” - নামৰ এক সামাজিক অভিযানে থলুৱা সমস্যাৰ সমাধান বিচাৰি নগাঁৱৰ সমাজ জীৱনৰ প্ৰত্যেককে সামৰি লোৱাৰ এক প্ৰয়াস কৰিছে। নগাঁও লোকসভা সমষ্টিৰ সাংসদ শ্ৰী প্ৰদ্যুত বৰদলৈয়ে তেখেতৰ সাংসদ পূঁজিৰ অনুদানেৰে থলুৱা সমস্যাৰ সুদূৰপ্ৰসাৰী থলুৱা সমাধান বিচাৰি এক সামাজিক অংশীদাৰীত্বৰ প্ৰতিযোগিতা আহ্বান কৰিছে।

## অগ্ৰাধিকাৰ দিব লগা থলুৱা সমস্যা কি ?

নগাঁও জিলাৰ উপায়ুক্তৰ নেতৃত্বত নগাঁৱৰ আন কেইবাজনো সামাজিক প্ৰতিনিধিৰে গঠিত এক কমিটিয়ে নগাঁৱৰ সমাজ জীৱনক ব্যতিব্যস্ত কৰা ভালেমান সমস্যাৰ ভিতৰত সংক্ষিপ্ত ভাবে অগ্ৰাধিকাৰ ভিত্তিত সদ্যহতে মূল তিনিটা সমস্যাক চিনাক্তকৰণ কৰিছে।

১) নগাঁৱৰ সমাজৰ ভিতৰে-বাহিৰে ৰঘুমলা দৰে বাঢ়ি অহা বিশেষকৈ যুৱ প্ৰজন্মৰ ভিতৰত ড্ৰাগছ আসক্তিকৰণ আৰু ড্ৰাগছ সৰবৰাহৰ এক ভয়ঙ্কৰ ৰূপ দেখা পোৱা যায়। নগাঁৱত ড্ৰাগছ আসক্তিকৰণ ৰোধ, ড্ৰাগছ সৰবৰাহৰ ব্যৱস্থাপনা নিৰ্ম্মুল আৰু সামাজিক পুৰ্নসংস্থাপনৰ উপায় কি আছে বুলি ভাবে ?

২) বাঢ়ি অহা চহৰীয়া হেঁচাত নিশকতীয়া হৈ পৰা নগাঁৱৰ প্ৰাকৃতিক পৰিবেশ বিশেষকৈ জলাশয় সংৰক্ষণ অথবা কলং নদীৰ স্বাভাৱিক স্ৰোত আৰু পুৰ্নজীৱিতকৰণ অথবা থলুৱা ভাবে নৱীকৰণ শক্তি (**Renewable Energy**) আহৰণ কৰিব পৰা উৎসৰ বাবে থলুৱা উপলব্ধিৰে দিব পৰা কিবা উপায় আছে নেকি ? (যিকোনো এটা বিষয়)

৩) নগাঁৱৰ অলিয়ে-গলিয়ে জমা হোৱা জাবৰ-আৱৰ্জনা দূৰীকৰণ ইয়াৰ প্ৰণালীগত ব্যৱস্থাপনা অথবা নলা-নৰ্দমাৰ যোগেদি গতিশীল জলনিস্কাষণ অথবা চহৰীয়া শৌচাগাৰৰ চিকুণ আৰু স্বচ্ছ ৰূপৰ সামাজিক সুনিশ্চিতকৰণৰ কিবা বিশেষ উদ্ভাৱনী প্ৰস্তাৱ আছে নেকি ? (যিকোনো এটা বিষয়)

## প্ৰতিযোগিতাৰ নিয়মাৱলী:-

১) এই প্ৰতিযোগিতাত সমাজৰ যিকোনো নাগৰিক, ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, শিক্ষক, ব্যক্তিগতখণ্ড বা চৰকাৰী চাকৰিয়াল, ব্যৱসায়ী, উদ্যোগপতি, গৃহিনী, ক্লাব, আৰু যিকোনো স্বেচ্ছাসেৱী অনুষ্ঠানে অংশগ্ৰহণ কৰিব পাৰিব।

২) নগাঁৱৰ বাবে ওপৰৰ তিনিটা সমস্যাৰ যিকোনো এটাৰ ওপৰত সুনিশ্চিত, ফলপ্ৰসু, ব্যৱহাৰিক আৰু দীৰ্ঘকালীন ভাবে গ্ৰহণযোগ্য সমাধান বিচাৰি এই প্ৰতিযোগিতাৰ আহ্বান কৰা হৈছে।

৩) প্ৰতিযোগীসকলে এই সমিধান তলৰ তিনিটা পদ্ধতিৰে যিকোনো এটাৰ যোগেদি আমালৈ পঠাব পাৰিব -
- লিখিত আকাৰে অনলাইন “**Google Forms**” ( **https://forms.gle/rCWjmqRRshqckmjo6** ) অথবা
- **PDF** কৰি ইমেইল ঠিকনা **nagaon.onemponeidea@gmail.com** যোগেদি অথবা
- নগাঁও চাৰ্কিট হাউচত ৰাখি থোৱা এক বিশেষ বন্ধ বাকচত জমা কৰিব পাৰিব।

৪) সমাধান দি লিখা অনলাইন “**Application Form**” বা হাতেৰে জমা কৰা প্ৰস্তাৱপত্ৰ অহা ১৯ আগস্ট ২০২৩ তাৰিখৰ (শনিবাৰ) দিনৰ ১২ বজালৈকে গ্ৰহণ কৰা হ’ব। এজন আবেদনকাৰীয়ে এবাৰহে এখন প্ৰস্তাৱপত্ৰ পূৰণ কৰিব পাৰিব।

৫) জুৰি কমিটিয়ে পৰীক্ষা কৰি নিৰ্দ্ধাৰণ কৰি দিয়া মৌলিক আৰু ব্যৱহাৰিক প্ৰস্তাৱৰ প্ৰথম তিনিটা উৎকৃষ্ট প্ৰস্তাৱদাতাক নগদ টকাৰে পুৰস্কৃত কৰা হ’ব -
- ❖ প্ৰথম পুৰস্কাৰ - নগদ ১,২৫,০০০.০০ টকা
- ❖ দ্বিতীয় পুৰস্কাৰ - নগদ ১,০০,০০০.০০ টকা
- ❖ তৃতীয় পুৰস্কাৰ - নগদ ৭৫,০০০.০০ টকা

৬) পৰৱৰ্ত্তী শ্ৰেষ্ঠ পাঁচটা ব্যৱহাৰিক প্ৰস্তাৱক বাচনি কৰি প্ৰস্তাৱদাতা সকলক “**Certificate of Appreciation**” প্ৰদান কৰা হ’ব।

৭) বাকী সকলো প্ৰস্তাৱদাতাকে “**Certificate of Participation**” আনুষ্ঠানিকভাবে প্ৰদান কৰা হ’ব।

## প্ৰথম খণ্ড

**প্ৰতিযোগিতাৰ প্ৰ-পত্ৰ গাঁথনিৰ সবিশেষ :-**

**১) আবেদনকাৰীৰ শ্ৰেণী (Application Category)**

☐ **ব্যক্তিগত (Individual)**

☐ **দল (Team)**

☐ **সংগঠন Organization)**

**২) আবেদনকাৰী (সকল) নাম (সমূহ) বৃত্তি (সমূহ) আৰু স্থায়ী ঠিকনা**

Applicant Name(s): ..........................................................................................

Occupation(s): ..........................................................................................

Permanent Address: ..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

**৩) আবেদনকাৰী (সকল)ৰ যোগাযোগৰ ঠিকনা Contact Details of Applicant (s)**

Contact Address: ..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

Phone Number(s): ..........................................................................................

Email: ..........................................................................................

**৪) পৰিচয়ৰ প্ৰমাণ Any valid Identity Proof of Individual / Organization**

(Please attach Photo Identity Card)

## দ্বিতীয় খণ্ড

### উদ্ভাৱনীমূলক সমাধানৰ ৰেহৰূপ

**(১) সমাধানৰ নাম: (Solution Title)** ..........................................................................................................

(ক) তলত উল্লেখিত তিনিটা বিষয়ৰ ভিতৰত কোনটো বিশেষ থলুৱা সমস্যাৰ সমাধান দিব বিচাৰিছে ? (চিহ্নিত কৰক)

- ☐ নগাঁৱৰ ড্ৰাগছ আসক্তিকৰণ আৰু ড্ৰাগছৰ প্ৰচলন ৰোধ কৰাৰ সমিধান।
- ☐ জলাশয় সংৰক্ষণ অথবা কলং নদীৰ বোৱতীকৰণ অথবা থলুৱাভাবে উপলব্ধ হ'ব পৰা নবীকৰণ শক্তিৰ উদ্ভাৱন।
- ☐ নগাঁৱৰ চাফ-চিকুন পৰিবেশ গঢ়ি তুলিবলৈ নলা-নৰ্দ্দমা অথবা জাবৰ দূৰীকৰণৰ বিজ্ঞানসুলভ উপায় অথবা অনাময় আৰু ৰাজহুৱা স্বচ্ছতাৰ উপায় নিশ্চিতকৰণ।

(খ) আপুনি সমিধান দিব বিচৰা ওপৰৰ যিকোনো এটা বিশেষ সমস্যাৰ কোনটো দিশ সামৰি ল'ব বিচাৰিছে?
(আপোনাৰ সমিধান ১০০ শব্দৰ ভিতৰত লিখিত আকাৰে প্ৰ-পত্ৰৰ লগত সংলগ্ন কৰক।)

(গ) যিকোনো এটা সমস্যাৰ ওপৰত আপুনি ভবামতে নিয়াৰিকৈ দিয়া আপোনাৰ সমিধানৰ বিৱৰণ -
(আপোনাৰ সমিধান লিখিত আকাৰে প্ৰ-পত্ৰৰ লগত সংলগ্ন কৰক।)

আপোনাৰ প্ৰস্তাৱত তলৰ বিষয়বিলাক উল্লেখ কৰা প্ৰয়োজন। **(Your submission can include the following pointers) :**

a. এই উদ্ভাৱনক বৰ্তমান বাস্তৱত ব্যৱহাৰ কৰা আন সমাধানৰ তুলনাত কিহৰ বাবে পৃথক বুলি ভাবে আপুনি ? **(What makes your solution different from others currently available ?)**

b. আপুনি আপোনাৰ উদ্ভাৱনক বৰ্তমানৰ সমাজত কেনেদৰে কাৰ্যকৰী কৰি তুলিব বিচাৰে ? **(How can your solution be implemented ?)**

c. এই সমাধান কাৰ্যকৰী হ'লে ইয়াৰ সম্ভাব্য প্ৰভাৱ কি হ'ব পাৰে ? **(What will be the impact of the solution if implemented ?)**

d. প্ৰয়োজন হ'লে আপুনি ইয়াত সঠিক কেপচনৰ সৈতে টেবুল, ছবি আৰু চিত্ৰ অন্তৰ্ভুক্ত কৰিব পাৰে( **If needed, technical details including tables, figures, images with proper captions may be added)**

### ঘোষণা (Declaration):

মই / আমি ঘোষণা কৰোঁ যে এই উদ্ভাৱন আমাৰ প্ৰস্তাৱ মোৰ / আমাৰ মৌলিক অৱদান। মই / আমি প্ৰতিযোগিতাৰ নিৰ্দ্দেশনা পঢ়িছো আৰু সেইবাৰ মানি চলিবলৈ সন্মত হৈছো।

**তাৰিখ (Date):**

________________________
**হস্তাক্ষৰ (Signature)**